# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-9-2026
**Time :** 1845 PM

# *Assamese Evening Bulletin*
## Headlines

:::::::::::::::::::

১। বিদ্যালয় আধাতে এৰা শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস কৰাৰ বাবে ল'বলগীয়া পদক্ষেপ সন্দৰ্ভত জিলা আয়ুক্তৰ সন্মিলনত আলোচনা।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে ১৭ ছেপ্তেম্বৰৰ পৰা ৰাজ্য চৰকাৰৰ সেৱা সমৰ্পন মাহ পালনৰ সিদ্ধান্ত।

৩। শেহতীয়া বানত ক্ষতিগ্ৰস্ত লোকৰ পুনৰ সংস্থাপনৰ বাবে ১০ অক্টোবৰৰ পূৰ্বে ক্ষতিগ্ৰস্তৰ তালিকা চূড়ান্ত কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

৪। ৰেচম খণ্ডৰ আন্তঃগাথনিগত উন্নয়নত মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ গুৰুত্ব আৰোপ। *আৰু*

৫। ভাৰত আৰু আফগানিস্তানৰ মাজৰ চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ আজি নতুন দিল্লীত দ্বিতীয়খন খেল।

০০০০

বিদ্যালয়ৰ শিক্ষা আধাতে শেষ কৰা শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস কৰাৰ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হ্ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। যোৰহাটত যোৱা নিশা সামৰণি পৰা জিলা আয়ুক্তৰ দুদিনীয়া সন্মিলনত এই বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। সন্মিলনত শিক্ষাৰ লগতে স্বাস্থ্য আৰু আন কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়। যোৰহাটত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে মাধ্যমিক পৰ্যায়ত আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি পোৱা প্ৰসংগত সন্মিলনত বিতংভৱে আলোচনা হয়। এখন যক্ষ্মামুক্ত ভাৰতৰ লগতে নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা সন্দৰ্ভতো জিলা আয়ুক্তৰ সন্মিলনত আলোচনা কৰা হয় বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে এই সন্মিলনত বাজেটত উল্লেখ কৰা ৪ হাজাৰ স্বাস্থ্যকেন্দ্ৰক চিকিৎসালয়লৈ উন্নীত কৰা সন্দৰ্ভতো আলোচনা কৰা হয়। ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া খেল মহাৰণ সন্দৰ্ভতো জিলা আয়ুক্তৰ সন্মিলনত আলোচনা কৰা হয় বুলি তেওঁ জানিবলৈ দিয়ে।

বাইট-মুখ্যমন্ত্ৰী

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন আৰু মুখ্যমন্ত্ৰী, প্ৰধানমন্ত্ৰীৰূপে ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰাৰ বিষয়েও মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীৰ

জন্মদিন ১৭ ছেপ্তেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ  সেৱা সমৰ্পন মাহৰূপে পালন কৰা হ'ব। এই সময়ছোৱাত কুইজ, আবৃত্তি প্ৰতিযোগিতাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি তেওঁ মন্তব্য কৰে।

০০০০০

ৰাজ্যৰ শেহতীয়া বানত ক্ষতিগ্ৰস্ত লোকৰ পুনৰ সংস্থাপনৰ বাবে ১০ অক্টোবৰৰ পূৰ্বে তালিকা চূড়ান্ত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাটৰ এখন সংবাদ মেলত এই কথা সদৰি কৰে। তেওঁ কয় যে প্ৰভাৱিত লোক সকললৈ আগবঢ়াবলগীয়া পুনৰ সংস্থাপন পুঁজিৰ প্ৰথম পৰ্যায়ৰ জৰীপ ইতিমধ্যে সম্পূৰ্ণ হৈছে।

(বাইট) (চি এম)

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত চলি থকা বান ক্ষয়ক্ষতিৰ মূল্যায়ন  প্ৰক্ৰিয়াৰ বুজ লয়। বৈঠকত বান প্ৰভাৱিত অঞ্চল সমূহৰ ক্ষয় ক্ষতিৰ সঠিক মূল্যায়ন,পুনৰ সংস্থাপন আৰু ক্ষতিগ্ৰস্ত লোকসকলক শীঘ্ৰেই সহায় আগবঢ়োৱাৰ বাবে লোৱা ব্যৱস্থাসমূহৰ বিষয়ে বিশদ ভাৱে আলোচনা কৰা হয়। বৈঠকত মন্ত্ৰী কেশৱ মহন্ত, অতুল বৰা, ৰামেশ্বৰ তেলী, জয়ন্ত মল্ল বৰুৱা, সাংসদ কামাখ্যা প্ৰসাদ তাছা প্ৰমুখ্যে ভালেসংখ্যক মন্ত্ৰী বিধায়ক উপস্থিত থাকে।

০০০০০

চৰাইদেউ আৰু শিৱসাগৰ জিলাত অহা শুক্ৰবাৰে লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ হ'ব। জিলা দুখনত মাহজোৰা কাৰ্যসূচীৰে এই প্ৰক্ৰিয়া চলিব। চৰাইদেউ আৰু শিৱসাগৰ জিলাত বানৰ পৰিপ্ৰেক্ষিতত লোকপিয়লৰ কাম সাময়িকভাৱে স্থগিত আছিল। লোকপিয়ল সঞ্চালকালয়ে বান পৰিস্থিতি উন্নত হোৱাৰ পাছত জিলা দুখনত লোকপিয়লৰ কাম আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰথম পৰ্যায়ত গণনাকাৰী সকলে ঘৰে ঘৰে গৈ গৃহ তালিকা প্ৰস্তুত আৰু গৃহ গণনা প্ৰক্ৰিয়া সম্পন্ন কৰিব।

০০০০০০

ৰাজ্য চৰকাৰৰ হস্ততাঁত, বস্ত্ৰ, ৰেচম আৰু দক্ষতা  বিকাশ বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে আজি ধেমাজী জিলাৰ গোগামুখত থকা ৰেচম পাম পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে পামখনৰ বিষয়া কৰ্মচাৰীসকলৰ সৈতে আন্তঃগাথনিগত উন্নয়নৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে ৰেচম উৎপাদক আৰু কৃষকসকলৰ সৈতেও ৰেচম উৎপাদন বৃদ্ধি, নতুন প্ৰযুক্তিৰ ব্যৱহাৰ আৰু পামখনৰ আধুনিকীকৰণৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে মিছিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙিয়া, অধ্যক্ষ সুনিল কুমাৰ পেগুৰ উপস্থিতিত পৰিষদৰ কাৰ্যবাহী সদস্য, সাধাৰণ সদস্য তথা বিষয়ববীয়াসকলৰ সৈতেও এখন বিশেষ বৈঠকত মিলিত হয়। বৈঠকত মিছিং স্বায়ত্ত শাসিত পৰিষদীয় এলেকাৰ বিভাগীয় কাম-কাজৰ অগ্ৰগতি, নতুন চিন্তা পৰিকল্পনা, সন্দৰ্ভত বিশদভাৱে পৰ্যালোচনা কৰা হয়।

বাইট-দৈমাৰী

মন্ত্ৰী শ্ৰীদৈমাৰীয়ে গোগামুখৰ পশ্চিম বালিগাঁৱত থকা চুমনিপামতো উপস্থিত হয়। ধেমাজী জিলা ৰেচম বিভাগৰ দ্বাৰা আয়োজিত সভাত মূগা পালকসকলৰ বিভিন্ন সমস্যাৰাজি সন্দৰ্ভতো তেওঁ মত বিনিময় কৰে। লখিমপুৰ জিলাৰ ঢকুৱাখনাত নিৰ্মাণ হবলগীয়া অত্যাধুনিক মূগা ৰেচম পৰ্যটন উদ্যানৰ নিৰ্মাণকাৰ্যৰ পৰ্যবেক্ষণ

কৰে। ভ্ৰমণসূচীৰ অংশ হিচাপে মন্ত্ৰীগৰাকীয়ে ৰেচম বিভাগৰ উচ্চ পদস্থ বিষয়াবৰ্গৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়।

০০০০০

অসমবাসীৰ প্ৰাণৰ আপোন শিল্পী জুবিন গাৰ্গ কায়িকভাৱে হেৰাই যোৱাৰ অহা ১৯ ছেপ্তেম্বৰত এবছৰ পূৰ্ণ হ'ব। বিগত বছৰটোত অসমবাসীয়ে প্ৰতিমুহূৰ্তে শিল্পীগৰাকীক নতুন ৰূপত উপলব্ধি কৰিছে। সেই উপলব্ধিৰে শিল্পীগৰাকীৰ সৃষ্টি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰবাহিত হ'ব। শিল্পীগৰাকীৰ প্ৰতি সন্মান জনাই এয়া আমাৰ বিশেষ প্ৰতিবেদন। ............. **পেকেজ**

বিংশ শতিকাৰ শেষৰটো দশকে অসমৰ সংগীত ক্ষেত্ৰলৈ লৈ আহিছিল এটা চমকপ্ৰদ প্ৰতিভা। কিছুদিন ধৰি সেৰেঙা উৰুঙা হৈ পৰা সংগীতৰ জগতখনলৈ হঠাৎ এটা দ্ৰুত ছন্দ যেন ঘূৰি আহিছিল। খেয়ালি মনৰ এজন যুৱকে নতুন সুৰৰ আঁচল ধৰি, ন সময়ৰ কাহিনী লিখি, নতুন প্ৰজন্মক চুই যোৱাকৈ, সংগীত ভালপোৱা প্ৰতিজন লোকক বিস্মৃত কৰিব পৰাকৈ সৃষ্টি কৰা কেইটিমান অন্য শৈলীৰ গীতে অসমৰ আকাশ বতাহত হঠাৎ খলক লগালে।

গান-অনামিকা

লক্ষ জনৰ হৃদয়তন্ত্ৰী আলোড়িত কৰা থলুৱা সুৰ আৰু পশ্চিমীয়া ৰক সংগীতৰ সংমিশ্ৰনত সৃষ্টি হোৱা সেই গীতকেইটিয়ে যেন ইংগিত দিলে এই প্ৰতিভাই জগত জিনিব। নামহীন অনুভৱেৰে শ্ৰোতা ৰাইজক স্তম্ভিত কৰা সেই এলবামেই আছিল অনামিকা আৰু শিল্পীগৰাকী অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গ।

গান- হাঁহিলে তুমি মুকুতা মণি সৰে

প্ৰথমটো বাণিজ্যিক শ্ৰব্য এলবামেৰে শ্ৰোতা জনতাৰ লগতে সংগীত ৰসিকসকলৰ হৃদয় জয় কৰা জুবিন গাৰ্গৰ এই যাত্ৰাৰ আৰম্ভণিয়েই অনুৰাগীৰ মনত তেওঁৰ গতি আৰু স্থায়ীত্ব যে সুদীৰ্ঘ দিনৰ হব সেয়া নিশ্চিত কৰিছিল। তেওঁৰ গায়নশৈলী, গীতৰ ভাষা, চাল-চলন, যুৱ প্ৰজন্মৰ বহু শিল্পীয়ে শ্ৰদ্ধাৰে হেপাহেৰে অনুসৰণ কৰিবলৈ লৈছিল কিন্তু তেওঁ আছিল একক আৰু অনন্য। ১৯৯২ চনত মুক্তি লাভ কৰা এই এলবামটোত শিল্পীগৰাকীৰ লগতে উৎপল শৰ্মাই সংগীত পৰিচালনা কৰিছিল। গীতৰ কথা আছিল জুবিন গাৰ্গ, ৰেণু শৰ্মা, সবিতা শৰ্মা আৰু স্বনামধন্য কবি হীৰেণ ভট্টাচাৰ্য্যৰ। গীতত যশস্বী কণ্ঠশিল্পী কবিতা কৃষ্ণমুৰ্তিয়েও কণ্ঠ দিছিল।

গান-

অনামিকাৰ এই অভাৱনীয় সফলতাৰে শিল্পীগৰাকীয়ে নিজৰ যাত্ৰা সুদীৰ্ঘ কৰাই নহয়, সংগীতানুৰাগীক গীতৰ নতুন জুতিৰে আপ্যায়িত কৰিলে, এটা নতুন ৰুচিবোধৰ জন্ম দিলে। সেই ৰুচিৰ ধাৰক আৰু বাহক হৈ জুবিন গাৰ্গে সংগীত, গীত ৰচনা, অভিনয়, আৰু মানুহৰ বাবে মানুহৰ মাজলৈ গৈ থাকিল, গৈ আছে আৰু ভৱিষ্যতেও এই যাত্ৰা অব্যাহত থাকিব।

গান- দুচকু তুলি চৌপাশে

০০০০

শৰাইঘাটৰ পুৰণি দলং যান-বাহনৰ চলাচলৰ বাবে আজি পুনৰ মুকলি কৰি দিয়া হৈছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহা প্ৰৱন্ধকৰ উপস্থিতিত আয়োজিত অনুষ্ঠানৰ পাছতে দলংখন মুকলি কৰা হয়। প্ৰায় ৮

কোটি টকা ব্যয় সাপেক্ষে উন্নত প্ৰযুক্তিৰে মেৰামতি কৰা দলংখনেৰে যাতায়াতৰ বাবে আজি আনুষ্ঠানিকভাৱে অনুমতি প্ৰদান কৰা হয়।

উল্লেখযোগ্য যে মেৰামতিৰ বাবে যোৱা ১৩ জুলাইৰ পৰা দলংখনেৰে যাতায়াত বন্ধ আছিল।

০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ কাইলৈ অন্তিম দিন। নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে তৎপৰতা অব্যাহত ৰাখিছে। সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী দেবাশীষ শৰ্মাই বিভিন্ন স্থানত দলীয় সভাত অংশগ্ৰহণ কৰাৰ লগতে ভোটদাতাৰ সৈতে মত বিনিময় কৰিছে। প্ৰাৰ্থীগৰাকীয়ে কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰিব।

ইপিনে এ আই ই ডি এফ দলে বদৰুদ্দিন আজমলক নগাওঁ লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। আজি দিনৰ ২ বজাত অনুষ্ঠিত দলৰ শীৰ্ষ পৰ্য্যায়ৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। দলটোৱে ইতিপূৰ্বে ৰেজাউল কৰিম চৰকাৰক দলীয় প্ৰাৰ্থী হিচাপে বিবেচনা কৰিছিল।

নিৰ্বাচন সুকলমে সম্পন্ন কৰাৰ প্ৰস্তুতিৰ অংশ হিচাপে আজি মৰিগাঁও জিলা পুথিভড়ালত মাণ্ডলিক আৰু খণ্ড বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। অসামৰিক আৰু আৰক্ষী বিভাগৰ সংশ্লিষ্ট বিষয়াসকলৰ অংশগ্ৰহণেৰে অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচীত  নিৰ্বাচনী দায়িত্ব সূচাৰুৰূপে পালন কৰাৰ বাবে বিষয়াসকলক প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰে। প্ৰশিক্ষণ কাৰ্যসূচীত জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া সৃষ্টিশ্ৰী সিং উপস্থিত থাকে।

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে অহা ১৬ ছেপ্তেম্বৰ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে আজি ৰাজ্যৰ বিভিন্ন জিলাত সংঠনটোৰ কৰ্মীসকলে মাদক দ্ৰব্যৰ সৰবৰাহ আৰু প্ৰচলনৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। শিৱসাগৰত আয়োজিত কাৰ্যসূচীত সংগঠনটোৰ কৰ্মীসকলৰ লগতে বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।  প্ৰতিবাদকাৰীসকলে মাদক দ্ৰব্যৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বজালী জিলাৰ পাঠশালাত আজি জিলা ছাত্ৰ সন্থাৰ উদ্যোগত মাদক দ্ৰব্য বিৰোধী সমদল উলিওৱা হয়। বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদৰ পৰা উলিওৱা সমদলত বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আজি গুৱাহাটী মহানগৰীৰ উজান বজাৰত শ্বহীদ ন্যাস ভৱনত মাদক দ্ৰব্যৰ বিৰুদ্ধে শ্ল'গান দি প্ৰতিবাদী সমদল উলিওৱা হয়। ইয়াৰ জৰিয়তে মাদক দ্ৰব্যৰ বিৰুদ্ধে শক্তিশালী স্থিতি লবলৈ সংগঠনটোৰ নেতৃবৰ্গই ৰাজ্য চৰকাৰক আহ্বান জনাই। সংগঠনটোৰ সভাপতি উৎপল শৰ্মাই মাদক দ্ৰব্যৰ সৰবৰাহৰ সৈতে জড়িত সকলোকে চিনাক্ত কৰি শাস্তি বিহিবলৈ আহ্বান জনায়। সংগঠনটোৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্যই মাদক দ্ৰব্যৰ অপকাৰিতাৰ সন্দৰ্ভত আলোচনাৰ মাধ্যমেৰে ব্যাপক সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০

অসমৰ দ্বিতীয় ৰাজধানী অঞ্চল উন্নয়ন ক্ষেত্ৰ সন্দৰ্ভত আজি ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। বিধায়ক প্ৰশান্ত ফুকনৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত ৰাজধানী অঞ্চলৰ উন্নয়নৰ বিভিন্ন দিশ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। বিশেষকৈ সমন্বিত পৰিকল্পনা, আন্তঃগাথনি উন্নয়ন আৰু বিভিন্ন বিভাগৰ মাজত ফলপ্ৰসূ সমন্বয় আৰু অভিসৰণৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত প্ৰস্তাৱিত দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চলৰ আন্তঃগাথনি শক্তিশালী আৰু নাগৰিক সুবিধাসমূহ উন্নীত কৰা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়।

ooooo

মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰীয়া সংস্কৃতিৰ একান্ত সাধক, বৈষ্ণৱ পণ্ডিত, পদ্মশ্ৰী সন্মানেৰে সন্মানিত তথা সাহিত্য একাডেমী বঁটাপ্ৰাপক গোপীৰাম বৰগায়ন বুঢ়া ভকতৰ অন্তেষ্টিক্ৰিয়া ৰাজ্যিক মৰ্যাদাৰে আজি সম্পন্ন কৰা হয়। শেষকৃত্য অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা উপস্থিত থাকে। ১০৩ বছৰ বয়সত কালি দেহাৱসান ঘটা এইগৰাকী সাধকৰ মৃত্যুত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়, যে সত্ৰীয়া সংস্কৃতিৰ সাধনাৰ জৰিয়তে প্ৰয়াত বৈষ্ণৱ পণ্ডিতগৰাকীয়ে জাতীয় ঐতিহ্যক সমৃদ্ধ কৰিছিল। তেওঁৰ মৃত্যুত আধ্যাত্মিক, সাংস্কৃতিক জগতখনৰ অপূৰণীয় ক্ষতি হোৱা বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰাইও গোপীৰাম বৰগায়ন বুঢ়া ভকতৰ মৃত্যুত শোক প্ৰকাশ কৰে। এটা বাৰ্তাত মন্ত্ৰী শ্ৰী বৰাই কয়, যে উত্তৰ কমলাবাৰী সত্ৰৰ এইগৰাকী বৰেণ্য বৈষ্ণৱ সাধকৰ বিয়োগে সত্ৰীয়া তথা অসমৰ সাংস্কৃতিক জগতত শূন্যতাৰ সৃষ্টি কৰিলে। ভক্তি, সাধনা আৰু সত্ৰীয়া পৰম্পৰাৰ সংৰক্ষণ তথা প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত তেওঁ আগবঢ়োৱা অনন্য অৱদান পাথেয় হৈ ৰ'ব।

ooooo

ভাৰত আৰু আফগানিস্তানৰ মাজৰ চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ  দ্বিতীয়খন খেল আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। শৃংখলাটোৰ তৃতীয়খন খেল পৰহিলৈ একেখন ষ্টেডিয়ামতে অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত